# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 18-02-2026**
**Time : 21-25 Hrs.**

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ শিক্ষাখণ্ড আৰু ইয়াৰ সৈতে জড়িতসকলৰ বাবে ঐতিহাসিক পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰাদেশিকীকৰণ ব্যৱস্থাপনা প্ৰণালী প'ৰ্টেল মুকলি কৰে। ২০১৭ চনৰ অসম শিক্ষা, শিক্ষকৰ সেৱা প্ৰাদেশিকীকৰণ আৰু শিক্ষানুষ্ঠান পুনৰ গঠন আইনৰ ২০২৫ চনৰ সংশোধনীৰ আধাৰত এই প'ৰ্টেলটো মুকলি কৰা হৈছে। এই ডিজিটেল ব্যৱস্থাই ৰাজ্যৰ যোগ্যতাসম্পন্ন অপ্ৰাদেশিকীকৃত প্ৰতিষ্ঠানসমূহৰ প্ৰাদেশিকৰণৰ প্ৰক্ৰিয়া সৰল কৰি তোলাত সহায় কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে প্ৰাদেশীকিকৰণ প্ৰক্ৰিয়াত স্বচ্ছতা, দক্ষতা আৰু ন্যায্যতা নিশ্চিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ২০০৬ চনৰ পূৰ্বে স্থাপন হোৱা বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণ হ'ব বুলি তেওঁ ঘোষণা কৰে। ২০১১ চনৰ আইন অনুসৰি ৰাজ্যত ৫৭ হাজাৰ ৫৭ গৰাকী শিক্ষক-কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ হোৱা বুলি উল্লেখ কৰি তেওঁ লগতে এই আইনৰ তৃতীয় সংস্কৰণেৰে ২০২৫ বৰ্ষৰ সংশোধনী আইন প্ৰৱৰ্তনৰ বিষয়ে উল্লেখ কৰে।

বাইট (চি এম)

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থা অধিক শক্তিশালী শিক্ষা প্ৰণালী গঢ়ি তোলাৰ দিশে গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পৰিগণিত হ'ব আৰু ৰাজ্যত সকলোৰে বাবে গুণগত শিক্ষা সুনিশ্চিত কৰাত ই সহায় কৰিব। অহাবাৰ আৰু ২ লাখ যুৱক-যুৱতীক কৰ্ম সংস্থাপন প্ৰদান কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে অহা বৰ্ষত শিক্ষক আৰু অধ্যাপকৰ ৭৫ হাজাৰ চাকৰি মুকলি কৰা হ'ব।

০০০০০

ৰঙালী বিহুৰ কথা বিবেচনা কৰি ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে প্ৰকাশ কৰিছে। বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ পাছত আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে আয়োগে যথোপযুক্ত সময়ত বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। শ্ৰীকুমাৰে কয়, যে ৰাজ্যত ৫ লাখ ৭৫ হাজাৰ লোকে এইবেলি প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ভোটগ্ৰহণ সূচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৰাজ্যত ৩১ হাজাৰ ৪৮৬ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। এইবাৰৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে ভালেমান নতুন ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয়, যে ভোটদাতাসকলে ভোটগ্ৰহণ কেন্দ্ৰলৈ মোবাইল ফোন লৈ যাব পাৰিব আৰু প্ৰতিটো কেন্দ্ৰত মোবাইল ফোন ৰখাৰ বিশেষ ব্যৱস্থা থাকিব। তদুপৰি ই ভি এমত প্ৰাৰ্থীসকলৰ ৰঙীণ ফটোৰ লগতে নামসমূহ ডাঙৰকৈ লিখা থাকিব বুলিও তেওঁ জানিবলৈ দিয়ে।

00000

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক আলোচনা অব্যাহত ৰাখিছে। ৰাজনৈতিক দলসমূহৰ শীৰ্ষ নেতৃত্বৰ ৰাজ্যখনলৈ আগমনে তৎপৰতা বৃদ্ধি কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে আজি অসমলৈ অহা বিজেপিৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে দলীয় কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰাৰ উদ্দেশ্যে ডিব্ৰুগড়ত ৰাজ্যিক বিজেপিয়ে আয়োজন কৰা পৃষ্ঠাপ্ৰমুখ সন্মিলনত ভাগ লয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে দলৰ শীৰ্ষ নেতাসকলে এই সন্মিলনত অংশগ্ৰহণ কৰে। ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, ধেমাজিকে ধৰি উজনি অসমৰ আটাইকেইখন জিলাৰ বিধায়কসকলৰ লগতে নিগম নিকায় আৰু দলীয় কৰ্মকৰ্তাসকলে এই সন্মিলনত অংশ লয়।

00000

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিৰে পৰা ৪ দিনীয়া কাৰ্যসূচীৰে **ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তৰ্জাতিক সাহিত্য উৎসৱ** অনুষ্ঠিত হৈছে। দেশ বিদেশৰ ডেৰশ জনৰো অধিক বিশিষ্ট লেখক, কবি, গৱেষক, সাংবাদিক, চলচ্চিত্ৰ নিৰ্মাতা আৰু বুদ্ধিজীৱিয়ে এই সাহিত্য উৎসৱত অংশ লৈছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য, অধ্যাপক জীতেন হাজৰিকাই আদৰণি ভাষণ দিয়া সাহিত্য উৎসৱত আজি পদ্মশ্ৰী সন্মানেৰে সন্মানিত বিশিষ্ট সাহিত্যিক য়েছে দৰজী ঠংছি উপস্থিত থাকে।

00000

পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ যুগদল শিবিৰৰ সমীপত আজি বনকৰ্মীয়ে এটা গঁড়ৰ মৃতদেহ উদ্ধাৰ কৰে। বন বিষয়াৰ নেতৃত্বত বন বিভাগৰ এটা দলে চিতলমাৰী বিলৰ পাৰৰ পৰা গঁড়টোৰ মৃতদেহ উদ্ধাৰ কৰে। অসম ৰাজ্যিক চিৰিয়াখানা আৰু উদ্ভিদ উদ্যানৰ পশু চিকিৎসা বিষয়াই মৃতদেহটো পৰীক্ষাৰ অন্তত কয় যে প্ৰায় ৪০ বছৰ বয়সত মতা গঁড়টোৰ প্ৰাকৃতিক কাৰণতে মৃত্যু হয়। অক্ষত অৱস্থাত থকা গঁড়ৰ খড়গটো বন বিভাগক গতাই দিয়া হয়।

00000

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত ভাৰতে - নেডাৰলেণ্ডছক জয়ৰ বাবে ১৯৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। দলৰ হৈ শিৱম ডুবে সৰ্বাধিক ৬৬ ৰান কৰাৰ লগতে সূৰ্য্য কুমাৰ যাদৱে ৩৪ আৰু তিলক বৰ্মাই ৩১ ৰানৰ বৰঙণি আগবঢ়ায়। নেডাৰলেণ্ডছৰ লোগান ভানবিকে ৩ টা উইকেট দখল কৰে। আমাৰ বাতৰি অহাৰ পৰলৈ নেডাৰলেণ্ডছে ৪ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২২ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে আজি কলম্বোত অনুষ্ঠিত গ্ৰুপ-এৰ  এখন খেলত পাকিস্তানে নামিবিয়াক ১০২ ৰাণত পৰাস্ত কৰে। ইয়াৰ আগেয়ে নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-ডিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই ইউ এ ইক  ৬ উইকেটত পৰাভূত কৰে।

00000

**ঃঃ সমাপ্ত ঃঃ**